নং ঃ ৭৮৭/২০২০

দেশত ক'ভিড-১৯ৰ শেহতীয়া স্থিতি আৰু ক'ভিড-১৯ প্ৰতিৰোধী ভেকচিন ব্যৱস্থাপনা সম্পৰ্কত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং যোগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উচ্চ পৰ্যায়ৰ বৈঠক

# সকলোৰে ঐক্যবদ্ধ প্ৰচেষ্টাত সংকটৰ এই মহাসমুদ্ৰৰ পৰা উদ্ধাৰ হৈ আমি পাৰত উপনীত হৈছোহি; পাৰত যাতে নাও নুডুবে তাৰ বাবে আমি অধিক সজাগ-সচেতন হ'ব লাগিব ঃ প্ৰধানমন্ত্ৰী

## দেশৰ প্ৰতিগৰাকী নাগৰিকৰ বাবে ক'ভিডৰ ভেকচিন উপলব্ধ কৰাটোক চৰকাৰৰ অন্যতম ৰাষ্ট্ৰীয় দায়বদ্ধতা বুলি মন্তব্য প্ৰধানমন্ত্ৰী মোদীৰ

## মুখ্যমন্ত্ৰীৰ চৰকাৰী আৱাসগৃহৰ পৰা ভিডিঅ' কনফাৰেন্সিংযোগে বৈঠকত অংশগ্ৰহণ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ, উপস্থিত স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাও

**দিছপুৰ, ২৪ নৱেম্বৰ ঃ** দেশত ক'ভিড-১৯ৰ শেহতীয়া স্থিতি আৰু ক'ভিড-১৯ প্ৰতিৰোধী ভেকচিন ব্যৱস্থাপনা সম্পৰ্কত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এক উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে আয়োজিত এই বৈঠকত দেশৰ প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্যমন্ত্ৰী তথা প্ৰশাসকসকলে অংশগ্ৰহণ কৰে। বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামগ্ৰিকভাৱে দেশত তথা বিশেষকৈ সৰ্বাধিক প্ৰভাৱিত ৮ খন ৰাজ্য ক্ৰমে হাৰিয়ানা, দিল্লী, ছত্তিশগড়, কেৰেলা, মহাৰাষ্ট্ৰ, ৰাজস্থান, গুজৰাট আৰু পশ্চিমবংগত ক'ভিড-১৯ সংক্ৰমণৰ শেহতীয়া স্থিতি আৰু ইয়াৰ ব্যৱস্থাপনা সন্দৰ্ভত বিতংভাৱে পৰ্যালোচনা কৰে। বৈঠকত দেশত ক'ভিড-১৯ প্ৰতিৰোধী ভেকচিনৰ প্ৰস্তুতি, যোগান, বিতৰণ আৰু জনসাধাৰণক ভেকচিন প্ৰদানৰ পৰিকল্পনাৰ বিষয়েও বিস্তৃতভাৱে আলোচনা কৰা হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও অংশগ্ৰহণ কৰা এই বৈঠকত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে তেওঁৰ চৰকাৰী বাসভৱনৰ পৰা ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে অংশগ্ৰহণ কৰে।

এই উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰ, দেশৰ প্ৰতিখন প্ৰদেশ আৰু দেশবাসীৰ ঐক্যবদ্ধ প্ৰচেষ্টাত ক'ভিড-১৯ অতিমাৰীৰ বিৰুদ্ধে যুঁজত আমাৰ দেশে

উল্লেখযোগ্য সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। আজি বিশ্বৰ অধিকাংশ দেশৰ তুলনাত এই মহামাৰীত ভাৰতবৰ্ষৰ আৰোগ্যৰ হাৰ আৰু মৃত্যুৰ পৰিসংখ্যা যথেষ্ট সন্তোষজনক। তেওঁ কয় যে সকলোৰে ঐক্যবদ্ধ প্ৰচেষ্টাত সংকটৰ এই মহাসমুদ্ৰৰ পৰা উদ্ধাৰ হৈ আমি পাৰত উপনীত হৈছোঁহি। পাৰত যাতে নাও নুডুবে তাৰ বাবে আমি অধিক সজাগ-সচেতন হ'ব লাগিব। ক'ভিড-১৯ৰ বিৰুদ্ধে এই দীঘলীয়া যুঁজখনৰ বিভিন্ন পৰ্যায়ত দেশৰ জনসাধাৰণে প্ৰদৰ্শন কৰা সঁহাৰিক চাৰিটা স্তৰত ভগাব পাৰি বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে প্ৰথম অৱস্থাত এই মহামাৰীক লৈ ৰাইজ ভয়-সংশয় আৰু আতংকত ভুগিছিল যদিও সম্প্ৰতি দেশত আৰোগ্যৰ সংখ্যা বাঢ়ি অহাৰ লগে লগে দেশবাসীয়ে ইয়াক সহজে গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছে। কিন্তু ক'ভিড-১৯ৰ বিৰুদ্ধে এই যুঁজখন আমি কোনোপধ্যেই ঢিলাই দিয়া উচিত নহয় বুলি উল্লেখ কৰি এই ক্ষেত্ৰত ৰাইজক সজাগ-সচেতন কৰাৰ বাবে অধিক মনোনিৱেশ কৰিবলৈ তেওঁ ৰাজ্য চৰকাৰসমূহৰ প্ৰতি আহ্বান জনায়। দেশত ক'ভিড-১৯ৰ আৰ টি পি চি আৰ টেষ্টৰ পৰিমাণ যথাসম্ভৱ বৃদ্ধি কৰা আৰু স্থানীয় পৰ্যায়ত জনসাধাৰণক সজাগ-সচেতন কৰাৰ জৰিয়তে সংক্ৰমণ আৰু মৃত্যুৰ হাৰ যথাসম্ভৱ হ্ৰাস কৰাৰ বাবে ৰাজ্য প্ৰশাসনসমূহক অধিক দায়িত্বশীল ভূমিকা গ্ৰহণ কৰিবলৈ তেওঁ আহ্বান জনায়।

দেশৰ প্ৰতিখন ৰাজ্যকে অক্সিজেন উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে পি এম কেয়াৰ পুঁজিৰ জৰিয়তে ইতিমধ্যে অক্সিজেন আৰু ভেন্টিলেশ্যনৰ সুবিধা অধিক হাৰত উপলব্ধ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। দেশত ১৬০ টাৰো অধিক নতুন অক্সিজেন উৎপাদন গোট স্থাপনৰ পদক্ষেপ হাতত লোৱা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

আজিৰ বৈঠকত প্ৰধানমন্ত্ৰীয়ে দেশত ক'ভিড-১৯ প্ৰতিৰোধী ভেকচিন ব্যৱস্থাপনা সন্দৰ্ভতো বিস্তৃতভাৱে পৰ্যালোচনা কৰে। নিটি আয়োগৰ সদস্য ড° ভি কে পালে এক প্ৰেজেন্টেশ্যনযোগে দেশত এই ভেকচিনৰ যোগান, বিতৰণ আৰু ভেকচিন প্ৰদানৰ প্ৰস্তুতিৰ পৰিকল্পনা সন্দৰ্ভত এক কৰ্ম আঁচনি দাঙি ধৰে। দেশৰ প্ৰতিগৰাকী নাগৰিকৰ বাবে ক'ভিড ভেকচিন উপলব্ধ কৰাটোক চৰকাৰৰ অন্যতম ৰাষ্ট্ৰীয় দায়বদ্ধতা বুলি মন্তব্য কৰি এই ক্ষেত্ৰত ৰাজনৈতিক ভেদাভেদ পাহৰি সকলো ৰাজ্যকে একেলগে কাম কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে আহ্বান জনায়। তেওঁ কয় যে দেশত ভেকচিনৰ বহুকেইটা পৰীক্ষা আশাপ্ৰদভাৱে আগবাঢ়িছে। দেশবাসীক প্ৰদান কৰাৰ আগতে এই ভেকচিন সকলো বৈজ্ঞানিক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। সকলোৰে সৈতে আলাপ-আলোচনাৰ জৰিয়তেহে এই গুৰুত্বপূৰ্ণ বিষয়টোত চূড়ান্ত সিদ্ধান্তত উপনীত হোৱা যাব বুলি মন্তব্য কৰি এই ক্ষেত্ৰত ৰাজ্যসমূহৰ কিবা পৰামৰ্শ থাকিলে সেয়া লিখিত ৰূপত যথাসম্ভৱ সোনকালে প্ৰেৰণ কৰিবৰ বাবে তেওঁ মুখ্যমন্ত্ৰীসকলৰ প্ৰতি আহ্বান জনায়।

বৈঠকত ক'ভিড-১৯ৰ দ্বাৰা সৰ্বাধিক প্ৰভাৱিত ৮ খন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলে সংশ্লিষ্ট ৰাজ্যসমূহত এই মহামাৰীৰ শেহতীয়াস্থিতি আৰু ইয়াক নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত প্ৰধানমন্ত্ৰীক অৱগত কৰে। বৈঠকত বহু কেইগৰাকী মুখ্যমন্ত্ৰীয়ে দেশত ক'ভিড-১৯ ভেকচিন ব্যৱস্থাপনা সন্দৰ্ভত নিজৰ দিহা পৰামৰ্শও প্ৰধানমন্ত্ৰীক অৱগত কৰে।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

দেশৰ প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্যমন্ত্ৰী তথা প্ৰশাসকসকলে অংশগ্ৰহণ কৰা এই বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ বহুকেইটা গুৰুত্বপূৰ্ণ মন্ত্ৰালয়ৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীৰ চৰকাৰী আৱাসগৃহৰ পৰা ভিডিঅ' কনফাৰেন্সিংযোগে অংশগ্ৰহণ কৰা এই বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালৰ লগতে স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা তথা স্বাস্থ্য বিভাগকে ধৰি ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগসমূহৰ উচ্চপদস্থ বিষয়াসকলো উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
২৪/১১/২০২০